Total No. of Printed Pages—3

**6 SEM TDC ASMH (CBCS) C 14**

**2024**

( May )

ASSAMESE

( Core )

Paper : C–14

( অসমৰ ভাষা আৰু লিপি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) অসমত কি কি ভাষা-পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে? 'অসমত প্ৰচলিত আৰ্যমূলীয় ভাষা'ৰ বিষয়ে এটি পৰিচয়সূচক আলোচনা যুগুত কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) আৰ্যভিন্ন ভাষাৰ ধাৰণা স্পষ্ট কৰি অসমত প্ৰচলিত আৰ্য-ভিন্ন ভাষাসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰাঁ। ১৫

২। (ক) অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে উদাহৰণসহ এটি আলোচনা যুগুত কৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া ভাষাৰ যি কোনো এটা উপভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ চিহ্নিত কৰি এটি আলচ যুগুত কৰাঁ।

৩। (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মী শাখাৰ ভাষাবোৰৰ নাম উল্লেখ কৰি মিচিং ভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ৩+৬+৬=১৫

*অথবা*

(খ) অসমৰ টাইমূলীয় ভাষাকেইটাৰ উমৈহতীয়া বৈশিষ্ট্যৰ উল্লেখ কৰি ফাকে ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। ৫+১০=১৫

৪। চমু আভাস দিয়াঁ (যি কোনো দুটা) : ৭×২=১৪

(ক) বড়ো ভাষাত অসমীয়া ভাষাৰ উপাদান

(খ) অসমীয়া ভাষাত টাই ভাষাৰ শব্দ

(গ) অসমীয়া ভাষাত দ্ৰাবিড় ভাষাগোষ্ঠীৰ উপাদান

৫। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমৰ জনগোষ্ঠীয় ভাষাৰ লিপি

(খ) কানাই বৰশী বোৱা শিলালিপি

(গ) কুটিল লিপি

(ঘ) নগাজৰী খনিকৰ লিপি

(ঙ) কাইথেলী লিপি





৬। উত্তৰ দিয়াঁ : ১×৬=৬

(ক) অসমত প্ৰচলিত আৰ্যমূলীয় সংযোগী ভাষাটোৰ নাম কি?

(খ) কামৰূপী উপভাষাত শ্বাসাঘাত শব্দৰ কোন অক্ষৰত পৰে?

(গ) 'বগা' শব্দটো কোন ভাষাৰ পৰা অহা?

(ঘ) অসমীয়া ভাষাত উচ্চাৰিত কণ্ঠ, সঘোষ, উষ্ম ধ্বনিটো কি?

(ঙ) শ্ৰীধৰ স্বামীৰ সুবোধিনী টীকা কোনটো শৈলীৰ নিদৰ্শন?

(চ) 'অসমীয়া লিপি' গ্ৰন্থখন কাৰ ৰচনা?

★★★